(কোনো এখন অৰ্থনীতিত বজাৰ ব্যৱস্থাৰ গুৰুত্ব অপৰিসীম। কাৰণ, আৰ্থিকভাৱে দক্ষ উপযুক্ত বজাৰ ব্যৱস্থাইহে উৎপাদনৰ গুণগত দিশ আৰু গভীৰতাক নিৰ্দেশ কৰে— যিয়ে অৰ্থনীতিখনৰ সৰ্বোপৰি উন্নতি সাধন কৰে। কিন্তু আজিৰ এই গোলকীকৰণৰ যুগত বহুবোৰ উপাদানে (যেনে— অনাহক প্ৰতিযোগিতা, উপযুক্ত তথ্য সংবাদ ব্যৱস্থাৰ অভাৱ, বিক্ৰী ব্যয়ৰ পৰিসৰ বৃদ্ধি ইত্যাদি) বজাৰ ব্যৱস্থাৰ প্ৰতি অনিশ্চয়তা আৰু সংশয়ৰ সৃষ্টি কৰে। যাৰ ফলত বজাৰ ব্যৱস্থাটোৱে দক্ষভাৱে আৰ্থিক কাৰ্যকলাপ কৰাত অপাৰগ হয়। এনেকুৱা পৰিস্থিতি উদ্ভৱ হোৱাকে সহজ ভাষাত বজাৰ ব্যৰ্থতা বা বিফলতা বুলি কোৱা হয়। এই বজাৰ বিফলতা আঁতৰাবৰ কাৰণে চৰকাৰে বহু পদক্ষেপ হাতত লোৱা দেখা যায়। যিয়ে ৰাইজে তথা সমাজৰ বহু হিতকাৰী হিচাপে চিহ্নিত হয়।)

এই অধ্যায়ত পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ কাৰ্যদক্ষতা আৰু লগতে বাহ্যিকতা, ৰাজহুৱা সামগ্ৰী আৰু অসম্পূৰ্ণ তথ্য সংবাদে কিদৰে এখন অৰ্থনীতিৰ বজাৰ ব্যৱস্থাক বিফলতাৰ ফালে খেলি দিয়ে সেই বিষয়ে অধ্যয়ন কৰা হ'ব।

Scanned with CamScan